# প্ৰাণৰ গান।

শ্ৰীদীনবন্ধু তালুকদাৰ।

# প্ৰাণৰ গান।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

প্ৰকাশক

শ্ৰীৰামচন্দ্ৰ তালুকদাৰ

বাসকুছি সত্ৰ।

প্ৰথম সংস্কৰণ।

১৩৪৬ চন।

সৰ্ব্বস্বত্ব সংৰক্ষিত।

ভিক্ষা খনে।॰ চাৰি অনা।

GOVERNMENT OF ASSAM.
Call No................
DISTRICT LIBRARY.

# উছৰ্গা ।

স্বৰ্গাদপী গৰিয়সী

স্বৰ্গীয়া মাতৃদেবীৰ

শ্ৰীচৰণ কমলত

অভাজন পুত্ৰৰ

ভক্তি-পুষ্পাঞ্জলি স্বৰূপ

"প্ৰাণৰ গান"

অৰ্পণ কৰিলোঁ।।

ইতি—

৩০ বহাগ ১৩৪৬
বাসকুছি সত্ৰ

সেৱক—
"দীনবন্ধু"

# উছৰ্গা ।

স্বৰ্গাদপী গৰিয়সী

স্বৰ্গীয়া মাতৃদেবীৰ

শ্ৰীচৰণ কমলত

অভাজন পুত্ৰৰ

ভক্তি-পুষ্পাঞ্জলি স্বৰূপ

"প্ৰাণৰ গান"

অৰ্পণ কৰিলোঁ ।

ইতি—

৩০ বহাগ ১৩৪৬ } সেৱক—

বাসকুছি সত্ৰ } "দীনবন্ধু"

# উপহাৰ।

শ্ৰী দীনবন্ধু তালুকদাৰ

এই পুথিখনি

উপহাৰ দিলো।

ইতি।

তাং } শ্ৰী

# ভূমিকা ।

সাহিত্য জগতত কীৰ্ত্তি অৰ্জ্জা . শা নাই কিন্তু সৰুৰে পৰা সাহিত্যলৈ এটা [illegible]ত আছে। নৱম মানত উঠাৰে পৰা সময়ে অসময়ে কিছুমান কবিতা লিখো। সেই সময়ত ভবা নাছিলো তাক কিতাপ আকাৰে প্ৰকাশ কৰিম। অৱশ্যে দুই চাৰি মাহ আগতে দুইচাৰি জন বন্ধুৰে হাতে লিখা অৱস্থাত কবিতাবিলাক চাই প্ৰকাশ কৰিবলৈ উদগণি দিছিল। কিন্তু তালৈ তিমান মন কৰা নাছিলো।

মেট্ৰিক পৰীক্ষাটো দি উঠি বিশেষ একো কাজ নথকাত অসমীয়া পুথি ভঁৰালৰ অকণমানি কলেবৰ বঢ়াবলৈ বুলি আশা কৰি ত্ৰিশটা কবিতা লগ কৰি "প্ৰাণৰ গান" নাম দি পুথি খনি প্ৰকাশ কৰা হ'ল।

পূজনীয় ককাইদেউ শ্ৰীযুত ৰাম চন্দ্ৰ তালুকদাৰৰ কিছু আৰ্থিক সাহায্য পাইহে এই আশা সাফল্য মণ্ডিত হ'ল।

পুথিখনিৰ "প্ৰুফ কপি" চাই দিয়াৰ বাবে প্ৰিয় বন্ধু শ্ৰীযুত ফণীধৰ বৰ্ম্মালৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। ইতি—

ব্যাসকুছি সত্ৰ
১৫ বহাগ, ১৩৪৬

ৰাইজৰ স্নেহাকাঙ্ক্ষী
"দীনবন্ধু"

## পূজনীয় চৌধুৰী দেৱৰ আশীষ।

"প্ৰাণৰ গান" হাতেলিখা অৱস্থাতে পঢ়ি চাই ধাৰণা হৈছে লিখকৰ পৰা ভবিষ্যতে কিছু আশা কৰিব পাৰি। উপযুক্ত চিন্তাচৰ্চ্চা ৰাখিলে সময়ত অসমীয়া সাহিত্যৰ ডাঙৰ অভাৱবিলাক এওঁলোকেই পূৰ্ণ কৰিব পাৰিব।

স্কুলীয়া জীৱন শেষ কৰি বহি নাথাকি সাহিত্য সেৱাত লাগা ভাবটি মোৰ বৰ ভাল লাগিছে। আশা কৰো নতুন লিখকৰ বৰ্ত্তমান উদ্যম আৰু ভবিষ্যত আশা সফল হব।

বৰপেটা
২৫ চৈত, ১৩৪৫ { শ্ৰীপ্ৰসন্নলাল চৌধুৰী।

## সূচী পত্ৰ।


| বিষয় | পৃষ্ঠা |
|---|---|
| ১। প্ৰাণৰ গান | ১ |
| ২। মাধৱী লতা | ৩ |
| ৩। লাজুকী কবিতা | ৫ |
| ৪। বিৰহিনী শকুন্তলা | ৭ |
| ৫। মিলন মাধৱী নিশা | ১১ |
| ৬। প্ৰিয়াৰ বাতৰি | ১৬ |
| ৭। নলিনী | ১৯ |
| ৮। অভিসাৰিকা | ২১ |
| ৯। শেষৰ সম্বল | ২৪ |

| বিষয় | পৃষ্ঠা |
| --- | --- |


| | |
| --- | --- |
| ১০। শেষৰ বচন | ২৫ |
| ১১। তটিনী | ২৭ |
| ১২। তটিনী তীৰত | ২৯ |
| ১৩। প্ৰথম সিদিনা যৌবন জাগে | ৩০ |
| ১৪। কিয়নো লুকালা সখী | ৩১ |
| ১৫। কল্পনা সুন্দৰী | ৩২ |
| ১৬। আবেগ | ৩৪ |
| ১৭। মনলই | ৩৫ |
| ১৮। প্ৰাণৰ কথা | ৩৭ |
| ১৯। অনুৰোধ | ৩৮ |
| ২০। মাধৈ মালতী | ৪০ |
| ২১। অতীতৰ প্ৰিয়া | ৪১ |

| বিষয়··· | পৃষ্ঠা |
| --- | --- |
| ২২। দৰদী | ৪৩ |
| ২৩। তুমি যে নাহিলা সোণ | ৪৪ |
| ২৪। সপোন | ৪৬ |
| ২৫। স্মৃতি | ৪৮ |
| ২৬। স্বাৰ্থ | ৫০ |
| ২৭। প্ৰিয়তম তুমি আহিবা যিদিনা | ৫২ |
| ২৮। চেনেহ | ৫৩ |
| ২৯। বিদায় পৰত | ৫৫ |
| ৩০। বিদায়-গীতি | ৫৭ |

# শুধবণী ।

| পৃষ্ঠা | শাৰী | অশুদ্ধ | শুদ্ধ |
| --- | --- | --- | --- |
| ১ | ৮ | কোনেৰে | কোনোৰে |
| ২ | ১৪ | সন্ধ্যান | সন্ধান |
| ৮ | ১ | প্ৰিয়া | প্ৰিয় |
| ৯ | ২ | শাতঁ | শাঁত |
| ৯ | ১২ | আহিব | কৰিব |
| ১০ | ৬ | তেওঁ | তেও |
| ১২ | ৫ | প্ৰিয়া | প্ৰিয়াই |
| ১২ | ১০ | মুখত | মুখত |
| ১৫ | ৫ | ছাটিলৈ | ছাটিলে |
| ১৮ | ৫ | মলান | ম্লান |
| ১৯ | ১ | তেনেহলে | তেনেদৰে |
| ২২ | ৬ | তল | ঢল |
| ২১ | ১৪ | তমূ | তমু |
| ৪৫ | ৮ | শেৱালী | শেৱালি |
| ৫৭ | ৭ | সকলোৰে | সকলোৰে |

PLEASE HANDLE THE BOOK CAREFULLY.

## প্ৰাণৰ গান ।

অপযশ অপমান যতমানে দিয়া প্ৰভু
নতশিৰে তুলি লম তোমাৰেই বুলি,
যাৰামানে দিয়া প্ৰভু গধুৰ দুখৰ বোজা
সুখ-ভোগ ইচ্ছা মই নকৰো সমূলি ।

নিবিচাৰো কাৰো প্ৰভু কোমল পৰশ মই
দগধ পৰাণ মোৰ শীতল কৰিব,
অন্তৰৰ জীয়াজুই অন্তৰ দহক মোৰ
নালাগে কোনেৰে তাত চেঁচাপানী দিব ।

নালাগে যাচিব প্ৰভু চেনেহৰ চুমা মোক
প্ৰিয়তমা আহি মোৰ দুখনি গালত,

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

প্ৰণয় ডোলেৰে বান্ধি প্ৰেমময় মন্দাকিনী
নালাগে দোৱাব মোৰ তৃষিত প্ৰাণত।

কামনা কুসুম লই জীৱনৰ থালে বামে
পিছলিলো বহুবাৰ একাৰ বাটত,
মায়া-মৰিচিকা প্ৰায় কামনাৰ লীলা খেলা
একেবাৰে তিতা মোৰ লাগিছে প্ৰাণত

নকওঁ নকওঁ প্ৰভু পুনবায় আৰু মই
দুঃখময় বুলি এই সোণৰ সংসাৰ,
সৰ্ব্বাঙ্গ সুন্দৰ তুমি সুন্দৰ তোমাৰ সৃষ্টি
সকলো সুন্দৰ তব বিশাল বিশ্বৰ।

দিয়া প্ৰভু দিয়া মোগো চৰণ কমল ছাঁয়া
গাওঁ মই জীৱনৰ বিষাদৰ গান,
আওপথে চলো যদি পাহৰি আচল পথ
দিবা প্ৰভু দিবা মোক পথৰ সন্ধান।

— ঃ০ঃ —

# মাধৱী-লতা।

বসন্ত আহিল নব সাজে সাজি
ৰূপহী প্ৰকৃতি ৰাণী,
কেতেকী আহিল কোকিল আহিল
কুঁহু কুঁহু সুৰ টানি।

নব পল্লবিত নব কুসুমিত
ধৰণীৰ গছ-লতা,
ৰমক্ জমক্ আমনি শুৱাই
জুলিছে মাধৱী লতা।

পূৰ্ণ বিকসিত ধৱল ওঠত
বিজুলীৰ হাঁহিৰেখা,
ৰইয়া পথিক চাইয়া এবাৰ
কেনেনো ধুনীয়া দেখা।

গ'লনে পথিক পথৰ ভাগৰ
দেখি ইলতাৰ ৰূপ,
সৰগে মৰতে নাপাবি বিচাৰি
এনে সৌন্দৰ্য্যৰ থূপ।

চালেহে পথিক লতাৰ হাঁহিত
মুগ্ধ কবি কালিদাস,
সেয়েহে আজিও যত কবিকুল
মাধৱী লতাৰ দাস।

ক'ত পালে তাই লাজুকী লতিকা
এনে মউসনা হাঁহি,
কোন বিধাতাই সৰজিলে দেহি
ইমান শৰীৰ লাহি।

# লাজুকী কবিতা।

ৰুদ্ধ আজি মোৰ মন্দিৰৰ দ্বাৰ,
কিয়নো আনিলা পূজাৰ সম্ভাৰ;
লগত সখিক লই,
কিয়নো থাকিলা ৰই,
কিয় হ'ল তোমাৰ মলিন বদন;
কোনেনো হৰিলে গালৰ ৰহন।

কিসুৰ বাজিল প্ৰাণত তোমাৰ?
ৰুদ্ধ দেখি মোৰ মন্দিৰৰ দ্বাৰ;
ফুলৰ কৰ্দণি লই,
কিয় ৰ'লা থিয় হই,
পানীৰ টোপাল দেখো নয়নত;
কিনো কথা তুমি ভাবিছা মনত?

কিনো কথা তুমি সুধিছা সখিক,
প্ৰিয়যে তোমাৰ পাগল প্ৰেমিক;—
লব পাৰো মই পূজা,
যদি তুমি দেবা বুজা,
সাঁচি থোৱা মোৰ হৃদয়ৰ কথা;
প্ৰেম-পুষ্প আশা সুতাৰে গঁঠা ।

চমকিলা শুনি কাৰ বীণাৰ সুৰ
চিত্ত তোমাৰ কোনে কৰিলে চুৰ
পলাব খুজিছা কিয় ?
সখিক নোকোৱা কিয় ?
—কি সুৰ তোমাৰ বাজিছে প্ৰাণত;
কাৰ কথানো পৰিছেহি মনত ।

চকু-পচাবতে ক'লে গ'লা তুমি,
হিয়া খনি মোৰ কৰি মৰুভূমি ;

আহাঁ আহাঁ বিধুমুখী,
শত জনমৰ সখী;
নেপাহৰো তোমাক চিৰ দিনলৈ
ফিৰি যদি এবাৰ আহাঁ কাযলৈ।

———○○———

## বিৰহিনী শকুন্তলা।

সঘনে জাগিছে প্ৰিয় স্মৃতিৰ পটত
মূৰ্ত্ত হই উঠে তব ছবিটি সুন্দৰ;
কিসুৰে বাজিছে বীণ হৃদয় তন্ত্ৰীত
থমকি থমকি সেই একেটি সুৰৰ

শুনিছানে প্ৰিয়া তুমি দূৰণিৰ পৰা
মোৰ এই ব্যথ-ভৰা হৃদয়ৰ গান;
অতীত মোহন সুৰ পৰিব কাণত
এখন্তেক বতাহত পাতা যদি কাণ।

যদিওবা চূৰ হ'ল হিয়াখনি মোৰ
দিনে ৰাতি অতদিন ভাবি তযু কথা;
হাঁহিভৰা আনন্দত আছা প্ৰিয় তুমি
লাগিব আমালৈ কিয় অকণিকে ব্যথা।

সুখৰ পিয়লা তুমি পান কৰা প্ৰিয়
নকৰো অকণো মই বেজাৰ আমনি;
বনৰে জীয়ৰী মই বনৰ লগৰী
বনৰে কোলাতে থাকি লভিম জুৰণি।

আছেনে মনত প্ৰিয় মাধৱী পূৰ্ণিমা
এক্লেলগে বহি দুয়ো মাধৱী কুঞ্জত;

জোনৰ হাঁহিটি দেখি হাঁহিছিলো দুয়ো
পৰিছিল হিয়া শাতঁ তযু পৰশত।

আছেনে মনত প্ৰিয় তাহানিৰ দৰে
কুলিটিয়ে গোৱা সেই গীত সুমধুৰ,
কত নানা বৰণৰ নানা তৰহৰ
হালিজালি নাচি থকা ফুলনিৰ ফুল।

কি বুজিবা ৰজা তুমি পুৰুষ তোমোৰা
প্ৰিয় জন বিৰহিনী কামিনী ফুলৰ,
ৰাৱণৰ চিতা প্ৰায় উমি উমি জ্বলা
বিৰহৰ জুইশিখা সৰল প্ৰাণৰ।

নিতউ আহিব উৱা পৰাণ ভনীটি
নিতউ আহিব দেহি নিশা অৱসান,
পৰাণ দেৱতা মোৰ কেতিয়া আহিবা
কেতিয়া কৰিবা মোৰ দুঃখ অবসান।

নেলাগে নিয়াব মোক নকৰো কামনা
সোণ ৰূপ আভৰণ ৰজাৰ ভৱন,
নিবিৰ কানন মাজে ভিখাৰিনী বেশে
কটোৱাম জীৱনৰ বাকী কেইদিন!

যৌবনৰ কতদিন গইছিল মোৰ
অকণো নাছিল তেওঁ প্ৰণয় ভাৱনা;
প্ৰকৃতি কোলাত থাকি লভিছিলো সুখ
পূত ভাৱে বইছিল জীৱন জৰণা।

ক'ৰপৰা আহি তুমি প্ৰাণাধিক মোৰ
কিনোদৰে মোক দেহি লগালা মমতা
পোণতে তোমাক দেখি চকুৰ আগত
উঠিল সজাগ হৈ যৌৱন দেৱতা।

সুখ-ভোগ বাসনাৰ আকুল আহ্বানে
কৰিলে হঠাতে মোক প্ৰেম-পাগলিনী

শান্তিৰ মদিৰা পান কৰি কিছুদিন
অলপতে হলো মই চিৰ বিৰহিনী।

# মিলন মাধৱী নিশা।

মাধৱী মাহৰ মাধৱী পূৰ্ণিমা
মধুৰ মাধৱী নিশা,
মধুৰে মধুৰে মধুময় কৰি
ফুলিছে মাধৱী লতা।

শুভ্ৰ জোনাকৰ মধু পৰশত
আনন্দে নধৰে হিয়া,
জোনৰ হাঁহিৰে হাঁহিটি মিলাই
আহিল মানস-প্ৰিয়া।

লাজুকী মুখনি বুকতে সোমালে
সভয়ে কাষতে বহি,
ৰাঙলি ওঁঠৰ চুমা পৰশত
বাজিল প্ৰেমৰ বাঁহী।

লাজুকী প্ৰিয়া লাজুকী ভাষাৰে
বুলিলে মধুৰ বাণী,
মুকুতাৰ দৰে জিল্‌মিল্‌ কৰে
দুধাৰি চকুৰ পানী।

প্ৰিয়তম বুলি কৰলৈ ধৰিলে
মুখত নোলায় মাত,
মলয়া এছাটি ধীৰে ধীৰে আহি
হিয়া কৰি গ'ল শাঁত।

"দেখিলো যিদিনা জুবিৰ পাৰত
অকলে তোমাক প্ৰিয়,

ভাবিলো সিদিনা পূৰ্ব্ব জনমৰে
তুমি মোৰ প্ৰাণ-প্ৰিয়।

ৰাতি হলে নাহে চকুত টোপনি
পেটত নালাগে ভোক,
তাতঁৰ শালত বহি ভাবি থাকো
চাবলৈ তোমাৰে মুখ।

ভাৱো মানে মই ওৰকে নপৰে
সকলো তোমাৰে কথা,
তথাপিও তুমি সুবুজা দেৱতা
নালাগে তোমাৰ বেথা।

মুখৰে মিচিকি হাঁহিটি তোমাৰ
চিকুণ চিকুণ দাঁত,
সন্ধিয়া পৰত শুনি ভাল পাওঁ
তোমাৰ বাঁহীৰ মাত।

যিমানেই ভাৱো সিমানে মধুৰ
সুন্দৰ তোমাৰ ছবি,
হিয়া আকাশত উঠিলাহি যেন
উষাৰ তৰুণ ৰবি।"

আধাফুটা মাতে কোৱা শুনি আছো
সৰল হিয়াৰ কথা,
সৰলা বালাৰ সৰল বিননি
লগালেহি মোক বেথা।

দুহাতেৰে ধৰি বুকুৰ মাজত
ৰাখি লো প্ৰাণ-প্ৰতিমা,
দুখনি নিমজ সেন্দুৰী গালত
যাচিলো প্ৰেমৰ চুমা।

আনন্দ লোতক বহিল দুয়োৰো
চাৰি নয়নৰ পৰা.

আঁচলে মচিলে মানস-প্ৰিয়াই
মোৰ প্ৰেম অশ্ৰুধাৰা।

লাহে লাহে আহি ক'ৰবাৰ পৰা
এচপৰা ক'লা মেঘ,
ছাটিলে ধৰণী ছাটিলে জোনাক
ঢাকিলে ৰূপালী ৰেখ।

সেই সুযোগতে এৰি থই মোক
প্ৰিয়া মোৰ গুচি গ'ল,
নাপালো বিচাৰি পুনৰায় মই
শূন্যত বিলীন হ'ল

আবেগে কঁপাই ৰাতুল অধৰ
গোপন কথাটি কলে,
চকুপানী টুকি থাকিব দি মোক
কিয় এৰি গুচি গ'লে।

দেৱী নে মানৱী কিম্বা সৰগৰ
অৰূপ মানস পৰী,
খন্তেকৰ বাবে ওচৰলৈ আহি
কিয় গুচি গ'ল এৰি।

যদিও পৰাণ পখিলাটি মোৰ
নাপাওঁ তুনাই দেখা,
থাকিব মনত চিৰকাল এই
মিলন মাধৱী নিশা।

## প্ৰিয়াৰ বাৰ্ত্তা।

কিয় আজি শুষ্ক হৃদি ফুলনিত
প্ৰফুল্ল কুসুম ৰাশি,

কিয় আজি স্তব্ধ হৃদয় তন্ত্ৰীত
প্ৰেমৰ মোহন বাঁহী।

কিয় আজি ঝৰে অশ্ৰুৰ নিজৰা
দুটি লোচনৰ পৰা,
কিয়নো নবহে প্ৰেমৰ মলয়া
পৰাণ শীতল কৰা।

কিয় আজি বাজে পৰাণ বীণাত
বিৰহ ব্যথাৰ সুৰ,
কিয় আজি কান্দে ইনাই-বিনাই
যৌবন দেবতা মোৰ।

কিয় আজি নাচে বাম চকু মোৰ
বিপদ সূচনা কৰি;
কোন সুদূৰৰ অস্ফুট বিননি
মন মোৰ নিয়ে কাঢ়ি।

কিয় আজি মাতে অহিনী নিয়ঁতী
এনেকৈ পূৰৱী নিশা,
জানো কিবা হ'ল প্ৰাণৰ প্ৰিয়ৰ
নাপাওঁতো নই দেখা।

কিয় আজি ম্লান স্মৃতিৰ ছৱিটি
হৃদয়ত আঁকি ৰখা,
নপৰে মনত প্ৰিয়ৰ মুখৰ
মিচিকিয়া হাহি-ৰেখা!

কিয় এনে দৰে আহোঁ বুলি গই
নাহিল দেখোন আৰু,
যাৰৰ পৰৰ আকুল প্ৰাৰ্থনা
আছেনে মনত বাৰু?

য'তে আছে তেওঁ থাক'ক সুখেৰে
প্ৰিয় সখি অতীতৰ,

প্ৰেম-লতা জুপি থ'ক তেনেদৰে
খাটো দেৱতাক মোৰ।

:———:

# নলিনী।

নিৰমল শৰতৰ সুনীল গগন,
প্ৰবাহিত প্ৰভাতৰ মলয় পৱন।
প্ৰভাতী বিহগী সবে জুৰিছে সঙ্গীত,
সন্তাপিত মানৱৰো সন্তাষিত চিত।

নিশা কুহকিনী নাশি আহে উষাৰাণী,
কুসুমিতা সৰসীত যুৱতী নলিনী।
কমলী কুসুম ৰাণী প্ৰফুল্ল বদনী,
যোনে দূৰীভূত কৰে মূৰৰ ওৰণী।

বিকসিতা কমলিনী বিলৰ মাজত,
কোন প্ৰেমিকৰ কথা শুনিছে মনত।
অনন্ত বাসনা লুপ্ত বুকুৰ মাজত,
বিকশিত হোৱা নাই কিহৰ লাজত।

স্বভাৱ সুন্দৰী ৰাণী প্ৰকৃতি জীয়ৰী,
বিৰাজিতা সৰসীত জলৰ কুঁৱৰী।
কিয় দিলে বিধাতাই পঙ্কত জনম,
জগতৰ মনোমুগ্ধ কুসুম পৰম।

মোহমুগ্ধ অলিকুল তযু পৰশত,
সঘনে চুম্বন কৰে মুখ মণ্ডলত
অস্ফুট ভাষাৰে গুঞ্জে হৃদি আবেগত
গুণ্ গুণ্ প্ৰতিধ্বনি উঠে বতাহত।

প্ৰতিদ্বন্দী ভাবি ভানু প্ৰসাৰি কিৰণ,
জৰ্জ্জৰিত কৰি তোলে সৰ্ব্ব অলিগণ।

যদিহে ভানুৰ প্ৰিয়া লাজুকী পদুমী,
দুৰ্জ্জন ভ্ৰমৰ দলে কিয় যায় চুমি?

নিশা হলে হাঁহিৰেখা কিয় যায় মাৰ,
কোনোবা নিঠুৰে আহি কৰে অত্যাচাৰ?
কোনে মৃণালিনী তযু দৰদী আপোন,
কাৰ বাবে উনমুক্ত হিয়াৰ দাপোন?

…:…:…

## অভিসাৰিকা।

নব যৌৱনৰ নব প্ৰভাতত,
নবীন ভানুৰ স্নিগ্ধ কিৰণত;
প্ৰভাসিত দেহৰ বৰণ,
গণ্ডস্থলে বাতুল বহন;

ওঁঠত মধুৰ হাঁহি,
যেন গোলাপৰ পাহি;
নাজানিলো কিহৰ ভাৱনা লই
আহিছিলা তুমি মোৰ কাষলই।

যৌবন যমুনা মোৰ বইছিল কল্‌কল্‌,
পাই তয় দৰশন উথলি উঠিল ঢল।
উপচি পৰিল হৃদয়ৰ দুটি পাৰ,
বহিল তটিনী স্ৰোত অনিবাৰ।

তোমাৰ চকুত কিহৰ ভাষা,
তোমাৰ হৃদিত কিহৰ আশা;
নোৱাৰি জানিব মই,
থৰ লাগি চালো ৰই;
তুমি দেখো মোক নকলা এনাৰি কথা,
নাই নেকি তয় পাষাণ প্ৰাণত বেথা?

প্ৰাণৰ পিয়াহ নুগুচিল মোৰ,
মনৰ কামনা নুপূৰিল মোৰ;

সাঁচি থোৱা প্ৰণয়-প্ৰসূণ
তেনেই লেৰেলি গ'ল,
আজি এই হতভাগিনীৰ
অভিসাৰ ব্যৰ্থ হ'ল।

যোৱা যোৱা মোৰ প্ৰাণৰ দেৱতা
শত জনমৰ দৰা।
কিয় আজি তুমি এনেদৰে আহি
দিছিলানো মোক ধৰা।

## শেষৰ সম্বল।

নালাগে আহিব তুমি মোৰ কাযলই
মই আৰু নকৰো আমনি,
অতীতৰ যত কথা আছে হৃদয়ত গাঁঠা
স্মৃতি তাৰ বুকুৰ পোৰণি,
উমি উমি জ্বলিব অগনি।

নতুন লগৰী স'তে কৰিবা ধেমালী
মই আৰু নাপাওঁ বেজাৰ
মাধুৰী নিশাৰ "ভালপাওঁ" কথাষাৰি
মুখৰ তোমাৰ ;
পাঙিম তাৰেই মই সোণৰ সংসাৰ।

# প্ৰকাশকৰ কথা।

এই নল দময়ন্তীৰ-চৰিত্ৰ পুথিখনী ডিব্ৰুগড় নিবাসী শ্ৰীযুক্ত পূৰ্ণকান্ত শৰ্ম্মা ডাঙ্গৰীয়াৰ লেখনী প্ৰসূত।

আমি উক্ত মহাত্মাৰ আদেশ ক্ৰমে এই পুথিৰ এটা ভাঙ্গৰণ মাত্ৰ প্ৰকাশ কৰিবলৈ আগ বাঢ়িলোঁ। পুথিৰ সমুদায় স্বত্ব গ্ৰন্থ কৰ্ত্তাৰেই থাকিল।

যোৰহাট,
গবৰ্ণমেণ্ট মডেল স্কুল,
শক ১৮২৮ কাৰ্ত্তিক।

শ্ৰীশিবনাথ ভট্টাচাৰ্য্য
হেড পণ্ডিত।

# ছুঁয়ামিয়া

# তটিনী।

পাষাণৰ হিয়া ভেদি সজল তটিনী
অস্ফুট ভাষাৰে টানি গীতৰ ৰাগিনী;
ভৈয়ামেদি বই যায় কুলু কুলু ধ্বনি,
কদাপি নাচায় ঘূৰি কাৰো কথা শুনি।

প্ৰেমিক প্ৰেমিকা আহি তটিনী পাৰত,
কত কথা ভাঙ্গে পাতে দুয়োৰো মাজত;
কত শূন্য হুমুনিয়াহ কাঢ়ে বেজাৰত,
সকলোকে তটিনীয়ে সামৰে বুকত।

কতজনে জাগতিক ব্যৰ্থ প্ৰয়াসত,
নোৱাৰি সহিব দুঃখ ইহ জগতত;
ডুব দিয়ে তটিনীৰ পূত সলিলত,
শাঁঠা আছে তটিনীৰ কোমল বুকত।

| | কবিতা | | | পিঠি |
|---|---|---|---|---|
| ২০ | ধৰণীৰ বুকু ফালি | ... | ... | ৪৬ |
| ২১ | প্ৰকাশ-মেলা | ... | ... | ৪৮ |
| ২২ | মই আৰু প্ৰিয়া | ... | ... | ৫০ |
| ২৩ | শিলৰ প্ৰাণ | ... | ... | ৫১ |
| ২৪ | শিল আৰু বন | ... | ... | ৫২ |
| ২৫ | পাষাণ আৰু মই | ... | ... | ৫৩ |
| ২৬ | অকলশৰীয়া | ... | ... | ৫৪ |
| ২৭ | এটি ধূলি কণাতেই উজলিল বিৰাট ধৰণী ... | | | ৫৫ |
| ২৮ | বহুদিন সপোন দেখিলোঁ ... | | ... | ৫৬ |
| ২৯ | শুকান পাত | ... | ... | ৫৭ |
| ৩০ | বিশ্বগান | ... | ... | ৫৮ |
| ৩১ | "দেৱদাসী'ৰ উত্তৰ | ... | ... | ৫৯ |
| ৩২ | "মোৰ দেৱতা"ৰ পূজাৰীলৈ | | ... | ৬১ |
| ৩৩ | শ্ৰীমান নৰনাৰায়ণ গোস্বামীলৈ | | ... | ৬৪ |
| ৩৪ | "আমাৰ ঘৰ" | ... | ... | ৬৫ |

# প্ৰথম সিদিনা যৌবন জাগে

তোমাৰ নব যৌবনৰ তীব্ৰ ধাৰ,
বইছিল সিদিনা ধাৰাসাৰ;
তোমাৰ উঠন বুকু, তিৰ্‌বিৰ্ চকু,
ৰঙীন দুখনি গাল—;
সাজিছিল এক মোহস্বপ্ন জালঃ—
— পৰি ৰলো মায়াৰ জালত —
খেলাৰ পুতলা যেন নচুৱালা মোক;
তোমাৰেই দুয়োখনি হাতৰ মাজত।

তোমাৰ হাঁহিভৰা মুখৰ কথা,
হ'ল মোৰ প্ৰাণস্পৰ্শী মৰম কবিতা;
তোমাৰ ৰসভৰা যৌবনৰ উন্মাদনা পাই,
উত্থলিল আনন্দ সবিতা;

তোমাৰ প্ৰেমভৰা হৃদয়ৰ পৰশ পাই
জাগিল সিদিনা মোৰ যৌবন দেৱতা।

# কিয়নো লুকালা সখী।

কিয়নো লুকালা সখী! বেৰৰ আঁৰত,
বিজুলীটি যেনেদৰে মেঘৰ মাজত;
আজি এই দুপৰীয়া নিজান পৰত,
দূৰতেই দেখি মোক আলিৰ কাষত।

দেখিছিলো কতদিন নইৰ ঘাটত,
কতদিন ফুলনিৰ ফুলৰ মাজত;
কতদিন প্ৰকৃতিৰ হেঙ্গুলী পৰত,
পোৱা নাই কোনো দিন আজিৰ ঈঙ্গিত

ভালপাওঁ তোমাকেই সচাঁ কথাষাৰি,
হিয়াত ৰাখিছো অতি গুপুতে সামৰি;
হ'ল কেনেকই ৰহস্যৰ সমাধান,
নোৱাৰো কৰিব সখী! একো অনুমান।

কৰাতো নাছিলা সখী আজিৰ নিচিনা;
মোক দেখি লুকালুকি আন কোনোদিনা।

## কল্পনা সুন্দৰী।

আজি শৰতৰ ৰূপালী যামিনী
আকাশত ভৰা জোন,
ধৰাত ফুলিছে শেৱালি পাহিটি
আপোন বিচাৰি কোন?

তুমি আহিছিলা সেই শৰতৰ নিশা
কাকনো বিচাৰি সোণ !
আহিছিলা কিয় গুচি গ'লা কিয়
একোকে নকলাচোন ?

তুমি গুচি গ'লা সোণ !
মই ৰলো একেথৰে চাই,
গালেমুখে একেৰি জোনাক
জোনবায়ে দিলে ছটিয়াই।

তুমি মিলি গ'লা দিগন্তৰ স'তে
নীলা নীলা মেঘৰ লগত,
মই পৰি ৰ'লো কান্দো কান্দো হই
বসুধাৰ বহল বুকত।

×————×

PLEASE HANDLE THE BOOK CAREFULLY.



১ ## আশা

আকাশ মুখৰ কৰা
ক্ষুদ্ৰ জ্যোতিকণা—
অন্তহীন ক'লা মেঘ ভেদি
নিমিষ পোহৰ কৰি
সৃষ্টিৰ গৌৰৱ ঘোষে ;
আঁউসীৰ অন্ধপথে
পথিকক বাট দেখুৱায়—
"এই বাটে যোৱা আগুৱাই" !

সসীম জীৱন ভেদি
কালহীন মহাসাগৰত
চিন দিয়া, আদৰ্শৰ
জিলিঙনি এটি
যদি উঠে ফুটি
তাতেই গৌৰৱ মোৰ
ক্ষুদ্ৰ সাধনাৰ,
নাই অহঙ্কাৰ।

কলিকতা
১৭.১।৩১



DISTRICT LIBRARY

PLEASE HANDLE THE BOOK CAREFULLY



হয় যদি সোণ! বুকুৰ বসন
　　সেন্দুৰৰ ফোঁটেৰে ৰাঙলী
পাবা জানো তাত ভূপিতিৰ চিন
　　মোৰ কপালৰ সেন্দুৰ কুলি?

—০০০০·—

# মনলই।

উৰনীয়া মন! উৰো উৰো কই
　　থাকিবিনো আৰু কিমান দিন?
আৰু বাৰ গই বিচাৰিলে তই
　　পাবিনেকি মোৰ প্ৰিয়াৰ চিন?

এতিয়াও আছেনে তাহানিৰ কথা?
　　ভাবি ভাবি ওৰ নাপাওঁ মই—

আকুল ব্যাকুল মোৰ
ব্যৰ্থ-বেদনা চোৰ
ধৰা হলে দিব মোক
আহি হাতে হাতে,
ধৰিবহে নোৱাৰিম
চিঞৰণো পাহৰিম
আবেগৰ ডোলে মুখ
বান্ধিব আগতে।

হাতৰ ভঙ্গীৰে মাথোঁ
আদৰি আনিম মোৰ
সপোনতে দেখা পোৱা
সাদৰি সখিটি,
কিনো পাবি বহুৱাম
কিনো বুলি সম্ভাষিম,
অশুচি আসন খনি
কেটেৰা মাতটি।

সিদিনাৰ মিলনত—
হৃদয়ৰ এচুকতে
দেৱতাৰ নামনিতে
ৰাখি খোৱা ছবিখনি
আৰু উজলাব,

# প্ৰাণৰ কথা।

কতবাৰ জুমি চাওঁ স্মৃতিৰ পটত
　ইঁাহো ইঁাহো কৰি থকা তোমাৰ মুখনি,
আকোৱালি লই থাকো বুকুৰ মাজত
　চঞ্চলা চপলা মায়াৰ প্ৰতিমা খনি!

আকাশত ভাহি ফুৰে শুকুলা ডাৱৰ
　শৰতৰ অনাবিল স্নিগ্ধ জোনাকত,
চকুলোৰে তিতি যায় গাৰুৰ গিলিপ
　পৰাণ দগধ হয় তোমাৰ ভাৱত।

শেষ হ'ল আজি সেই শৰতৰ নিশা
　শেৱালিটি পৰি ৰ'ল ডুবৰি বনত,
সুখৰ সপোন মোৰ তেনেই ভাগিল
　নাপাওঁ বিচাৰি পানী মৰু জগতত।

আকণ্ঠ শুকায় যদি পানী পিয়াহত
মিলি যাম অনন্তৰ বহল বুকত,
উচুপি উচুপি তুমি কান্দিবা লাহৰী
ভালপোৱা আছে যদি এই মৰতত।

## অনুৰোধ।

সপোনত তুমি আহিবা দৰদী
ঢালিবা প্ৰাণত অমিয়া ধাৰা,
জানায়েতো এই বাস্তৱ জগত
শত শত দুঃখ বেদনা-ভৰা।

বুকুৰ মাণিক জোকাৰি পেলাই
পোৱা নাই মই অকণো শান্তি,

বিশ্বাস নকৰি নাহা যদি প্ৰিয়
নুগুচিব মোৰ মনৰ ভ্ৰান্তি।

এন্ধাৰে পোহৰে ভিতৰ বাহিৰে
তোমাৰ ছবিটি মোৰ হৃদয়ত,
আকাশে মাতে দূৰলই মোক
অজান অকুট গহীন সুৰত।

প্ৰিয়তম তুমি তাহানিৰ দৰে
হাঁহিটি মাৰি আহিবা এবাৰ,
দুৱাৰ খুলি চাই আছো মই
নকৰিবা মোৰ ব্যৰ্থ অভিসাৰ।

# মাধৈ-মালতী।

ফুলিছে কুসুম পাহি বননি শুৱাই
ছিঙি আনি কিয় মোহাৰি পেলাম ?
দূৰৰি ডৰাত বহি আপোন মনেৰে
চাই চাই দুটি নয়ন জুৰাম।

পাখিলাই যদি দিয়ে গুপুত বাতৰি
নাই তাত মোৰ অলপো বেজাৰ।
সৌন্দৰ্য্য-পিয়াসী মই সৌন্দৰ্য্যৰ খনি
চাব পালে হব তৃপ্তি আতমাৰ।

ভাল পায় যাকে তাই যাচক আদৰ
হ'কা-বধা তাত কিয়নো কৰিম ;
অন্তৰৰ ভালপোৱা মানুহে নেদেখে
মিছাতেই কিয় তাকে বিচাৰিম ?

মাধই-মালতী পাহি জঁয় পৰি যাব
বদৰ ভাগত বননি মাজত ;
দূৰৰি ডৰাত যাহি চকুলো টুকিম
সমীৰণে গাব সকৰুণ গীত।

÷ ÷ :: + :: ÷ ÷

# অতীতৰ প্ৰিয়া।

ক'ৰবাৰ বাঁহীৰ সুৰ পৰেহি কাণত
আজি এই শৰতৰ সন্ধিয়া পৰত ;
ইছাতি বিছাতি কৰে বিয়াকুল চিত,
কাৰবাৰ ছবিটি ভাহে চকুৰ আগত।

লাজতে তাঁহিটি মাৰি তলমুৱা হোৱা,
কেৰাহিকৈ চকুতুলি মুখলই চোৱা ;

চকুৰে চকুৰে কিবা সন্নিধান দিয়া,
পৰিছে মনত আজি অতীতৰ প্ৰিয়া।

পদূলি মুৰলৈ আহি ফিৰি ফিৰি চোৱা,
দুগালে দুধাৰি লো বই বই যোৱা ;
মানুহে দেখিব বুলি মচি মচি থোৱা,
পৰিছে মনত আজি অতীতৰ প্ৰিয়া।

ক'ৰবাৰ পৰা আহি নিলাজী পছোৱা,
বিহাৰ আঁচলখনি উৰুৱাই নিয়া ;
উঠি অহা বুকুখনি উদঙাই দিয়া,
পৰিছে মনত আজি অতীতৰ প্ৰিয়া।

# দৰদী।

কত কথা পাওঁ মই তোমাৰ পাচত,
কওঁ কওঁ বুলি মোৰ মনৰ মাজত;
যেতিয়া পৰোঁগৈ সখী তোমাৰ আগত,
বাক্ বোধ্ হয় মোৰ কিহৰ ভাৱত?

কতনো সৌন্দৰ্য্য দেখোঁ তোমাৰ দেহত,
কতনো বৰ্ণনা কৰোঁ বন্ধুৰ আগত;
ক্ষণমান তিলটিকে নিমজ গালত,
মিচিকিয়া হাঁহিৰেখা ৰাঙলি ওঁঠত।

চেনেহৰ সুধাখিনি পুৰঠ বুকৰ,
নাঢালিবা নাঢালিবা পৰাণত মোৰ;
নোৱাৰিম বব ভাৰ তোমাৰ প্ৰেমৰ,
মোৰ ই জীৱন প্ৰিয়া অতি বিষাদৰ।

সুখৰ সফুৰা সখী মোৰ পৰশত,
বিষাদেৰে ভৰি যাব কৰুণ সুৰত;
থাকা তুমি ৰঙমনে পৰাণ সখীটি,
নাচাপো তোমাৰ কাষ নকওঁ কথাটি

## তুমি যে নাহিলা সোণ।

তুমি যে নাহিলা সোণ,
চুলিকোচা হ'ক মোৰ আউলি বাউলি,
কিয়নো চিকুণ বেণীটি সাজিম?
মুখখনি হ'ক মোৰ ভেনেই মোলান,
কিয়নো গালত ৰহণ সানিম?
মোৰ আদৰ বুজিব কোন?

তুমি যে নাহিলা সোণ,
কিয়নো পিন্ধিম পাতল ৰিহা,
উন্নত বুকুৰ জেউতি চ'ৰাই ?
কিয়নো পিন্ধিম মুগাৰ মেখেলা,
শুভ্ৰ শৰীৰৰ সৌন্দৰ্য্য বঢ়াই ?.
মোৰ আদৰ বুজিব কোন ?

তুমি যে নাহিলা সোণ ;
আঁজলি ভৰাই শেৱালীৰ ফুল,
কিয়নো পুৱাতে আনিম বুতলি ;
কালৈকে গাঁঠিম মালাধাৰি মই.
নাই তুমি মোৰ প্ৰাণৰ পুতলি ?
মোৰ আদৰ বুজিব কোন ?

তুমি যে নাহিলা সোণ ;
কান্দি মৰে হিয়া মোৰ তোমাৰ কাৰণে,

আজি অতদিন প্ৰেম মন্দাকিনী তীৰে;
চকুৰ টোপনী মোৰ লুকালে চকুতে,
গাকুৰ গিলিপ তিতে নয়নৰ নীৰে।
মোৰ আদৰ বুজিব কোন?

## সপোন।

ধুনীয়া জোনালী ৰাতি সোমালো অকলে
ক'ৰবাৰ ফুলনি মাজত,
গোলাপৰ পাহি এটি আল্‌ফুল্ কই
চিঙি আনি লইছো হাতত।

ভয়ৰ কঁপনি আছে হিয়াৰ মাজত
গৃহস্থই যদি দেখা পায়,

অচিন ফুলনি বাৰী আচহুৱা ঠাই
কেউফালে বাট-ঘাট নাই।

ফুলৰ পাহিটি লই বাৰে বাৰে চাই
মনে মনে ভাবিছো খন্তেক,
সোমালো কেনিবা মই যাও কোন পিনে
চিন্তা সোঁত উঠিল অনেক।

হঠাতে দেখিলো আহা! চকুৰ আগতে
দিপ্‌লিপ্‌ গাভৰু এজনী,
পুৰণি চিনাকি পাই অচিনা থলত
মাৰ গ'ল বুকুৰ কঁপনি।

কওঁ বুলি কিবা হায়! মুখ মেলোতেই
চকুজুৰি মেল খাই গ'ল,
গহীন নিজম নিশা অকলে পাটীত
সপোন কুঁৱৰী গুচি গ'ল।

বহুনিশা হই গ'ল দেখিলো সপোন
স্মৃতি কিন্তু আজিও মনত,
আৰু যেন দেখো সেই সুখৰ সপোন
ভাৰি থাকো শুবৰ পৰত।

÷ ÷ ∴ ÷ ∴ ÷ ÷

## স্মৃতি।

তোমাৰ হাতৰ প্ৰিয় কোমল পৰশ
লাগি আছে এতিয়াও উন্নত বুকত,
চেনেহ চুমাৰ দাগ পাতল ওঁঠৰ
মাৰযোৱা নাই সখি! গোলাপী গালত

মালতী ফুলৰ গছ নিজে তুমি ৰোৱা
গাভৰু কালৰ মোৰ কুসুম বনত,

এতিয়াও আছে ফুলি তেতিয়াৰ দৰে
সৌৰভ বিলাই মোৰ আকুল প্ৰাণত।

আমি বহা শিলচটা আছে এতিয়াও
গিতাতেই পৰি সখি! নইৰ .পাৰত
কাষতে ঘাঁহনি ডৰা সেউজী ৰঙৰ
টুকিছে চকুলো পুৰা আমাৰ দুঃখত।

সেইযে আছিল মাধৱী লতিকা জুপি
মোৰ শোৱনী ঘৰৰ দুৱাৰ মুখত,
এতিয়াও আছে সখি! তাহানিৰ দৰে
চেনেহৰে মেৰিয়াই আমৰ ডালত।

কত কথা ভাঙ্গি পাতি বালিঘৰ সজা
আপোন মনেৰে বহি জুৰ জোনাকত,
সেইযে ফুলনি খান আছিল ধুনীয়া
এতিয়াও আছে সখি! আগৰ থলত।

সকলোৰে আছে সখি! তাহানিৰ দৰে
নাই মাথো তুমি মোৰ চকুৰ আগত,
মৰম তুলিৰে আঁকা তোমাৰ ছবিটি
চিৰকাল ৰব মোৰ কোমল বুকত।

## স্বাৰ্থ।

নিবিলাবা কাকো সখী! তোমাৰ চেনেহ
গোপন কোণত থকা পুষ্ঠ বুকৰ;
নাযাচিবা কাকো তুমি প্ৰণয়ৰ চুমা
যৌবন উছলি পৰা ৰাঙলি ওঁঠৰ।

পুনীয়া জোনাক ৰাতি শুকুলা পক্ষৰ
ৰূপালী ৰহণ সানা শ্যামল ক্ষেত্ৰত;
নোলাবা নোলাবা তুমি ভুলতেও সখী!
জোনে চুমি যাব পাৰে গোলাপী গালত।

মালতী ফুলেৰে গাঁঠা প্ৰণয়ৰ মালা
নিদিবা ডিঙিত কাৰো কেতিয়াও আৰি,
অনন্ত কাললই থোৱা চেনেহ আমাৰ
লই যাব কোনোবাই বুকু শুদা কৰি।

মই জানো, তুমি জানা, আনে নেজানিলে
তোমাৰ কাষৰ পৰা আঁতৰিলো কিয়বা?
তুমিয়েই পাতা সখী! মদন-কুলনি
জঁয় পৰি গলে জানো সহিব পাৰিবা?

# প্ৰিয়তম তুমি আহিবা যিদিনা

প্ৰিয়তম তুমি আহিবা যিদিনা
অভাগিনীলৈ মনত পৰি,
ৰূপহীৰ দৰে সাজিম সিদিনা
প্ৰেম কাঙালিনী বেশ এৰি।

মূৰতে পিন্ধিম থুপি থুপি ফুল
ডিঙিতে পিন্ধিম মালতী মালা,
বিকশিত কৰি যৌবনৰ ৰূপ
পিন্ধিম পাতল ৰিহা-মেখলা।

বহুণ সানিম ৰঙীণ গালত
বোলাম জেতুকা হাতে-ভৰি,
কপালত দিম সেন্দুৰৰ ফোঁট
যিমানে পাৰো চিকুণ কৰি।

কতযে গাঁথিম কতযে ভাঙিম
তোমাৰ বুকুত মুৰটি থই,
পাহৰি পেলাম অতীতৰ দুঃখ
আকউ তোমাৰ পৰশ পাই।

## চেনেহ।

চকুৰ আগত লই চাই থাকো যিমানেই
নপলায় তিমানেই চকুৰ হেপাহ ;
বুকুৰ মাজত লই আকোৱালি থাকিলেও
নুগুচে তথাপি মোৰ প্ৰাণৰ পিয়াহ।

যতমানে যাচো চুমা আকুল ওঁঠৰ মোৰ
যৌৱনেৰে ভৰপূৰ গোলাপী গালত,
কঁপি থকা ওঁঠ দুটি বুজনি নামানে হায়!
অতৃপ্ত বাসনা ৰয় বুকুৰ মাজত।

মৰমৰ কথাখিনি যিমানেই থাকো শুনি
সিমানেই শুনিবলৈ আৰু মন যায়,
কইযোৱা কথাবোৰে মধুৰ ঝঙ্কাৰ তুলি
হিয়াৰ তন্ত্ৰীত মোৰ বাজিব সদায়।

জোঙা আঙুলিৰে লিখা হাতৰ আখৰ কিটা
সানে কত ৰূপ ভুলা পাত ডোখৰত,
কোনে জানে জগতৰ; সাদৰী প্ৰিয়ালৈ মোৰ
ইমান চেনেহ আছে প্ৰাণৰ প্ৰাণত।

# বিদায় পৰত।

আজি প্ৰিয়া আঁতৰিলো
তোমাৰ কাষৰ পৰা
ভগা হিয়া লই;
"যাওঁ" বুলি কথাষাৰি
কব নোৱাৰিলো
চকুৰে চকুৰে চালো ৰই

তুমি দেখো মুখতুলি
একো নামাতিলা;
পাষাণ প্ৰতিমা প্ৰায়
থিয় হই ৰ'লা;
মোৰ পিনে চাই মাথো
চকুলো মুছিলা।

বিষাদৰ চকুপানী টুকি
নকৰিবা অমঙ্গল মোৰ
যাবৰ পৰত;
কানো কৰিছো সখী!
নলগাবা দুঃখ নোৰ
ব্যথিত প্ৰাণত।

হাহি মুখে যাব দিয়া মৰনা চেনাই,
বহু দিন হ'ল আৰু সময় যে নাই।

# বিদায় গীতি।

কতসুৰে গালো মই জীৱনৰ গান
বিষাদৰ তটিনী তীৰত,
ছন্দহীন গান মোৰ প্ৰাণ শূন্য-তান
নাবাজিল ধৰাৰ বুকত।

বুকুৰ তেজেৰে ৰচি শোকৰ কবিতা
চকুপানী টুকিলো নীৰলে,
সকলোৱে নিলগত ভগা পজাটিত
বহুদিন কটালো অকলে।

এৰিলো সুখৰ আশা আমনি লাগিল
সুখলই ঘাট-বাট চাই,
নাপালো এযাবো কাৰো মৰমৰ কথা
জগতক মাগিলো বিদায়।

PLEASE HANDLE THE BOOK CAREFULLY



দুঃখতে জনম মোৰ দুঃখতেই শেষ
দুঃখ মোৰ জগতেই থ'ক।
শান্তিৰ অমিয়া ভৰা বহল বসুধা
চেনেহৰে ভৰপূৰ থ'ক।

আহিব বসন্ত কাল ফুলিব কুসুম
কুলিটিয়ে প্ৰেম গীত গাব,
মোৰ ই করুণ সুৰ ধৰাৰ বুকত
নিৰন্তৰ বাজিয়ে থাকিব।

স্মৃতিৰ কোলাৰ পৰা আঁতৰাই দিলো
চেনেহৰ প্ৰিয়াৰ ছবিটি,
ভগাবীণ খনি লই করুণ সুৰেৰে
গালো মই বিদায়ৰ গীতি।

অন্ত।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR

ৰাইজৰ সহায় আৰু সহানুভূতি পালে গ্ৰন্থকৰ্ত্তাৰ

" প্ৰাণৰ কথা " নামে গল্পৰ

পুথি এখন অতি সোণকালে

প্ৰকাশ হব।

পোৱা ঠাই—

শ্ৰীদীনবন্ধু তালুকদাৰ।
সাং ব্যাসকুছি সত্ৰ।
পোঃ আঃ চেঙ্গা
কামৰূপ আসাম।